জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩৩/২০২০

## বিশিষ্ট পণ্ডিত, শিক্ষাবিদ ড° অমৰেশ দত্তৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

# বিশিষ্ট শিক্ষাবিদ গৰাকীৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৬ আগষ্ট ঃ** দেশৰ এগৰাকী বিদগ্ধ পণ্ডিত, ইংৰাজী সাহিত্যৰ একনিষ্ঠ সাধক, প্ৰফেছৰ এমেৰিটাছ ড° অমৰেশ দত্তৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ড° অমৰেশ দত্তই আমাৰ শৈক্ষিক, বৌদ্ধিক জগতলৈ যি অনৱদ্য অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বিশাল পাণ্ডিত্যৰ অধিকাৰী প্ৰয়াত দত্তই আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক ক্ষেত্ৰখনলৈ অমূল্য বৰঙনি যোগাই গৈছে। চেক্সপীয়েৰৰ সাহিত্য সন্দৰ্ভত তেখেতে আগবঢ়োৱা মনোজ্ঞ অলোচনাই বিশ্বৰ বিদগ্ধ পণ্ডিত সকলৰো দৃষ্টি আকৰ্ষণ কৰিছিল। তেখেতৰ কাব্যিক প্ৰতিভাই বিশ্ব পৰ্যায়ত সুনাম কঢ়িয়াই আনিছিল আৰু কেইবাটাও দেশী-বিদেশী ভাষালৈ এই কবিতাসমূহ অনুবাদ হৈছিল। 'এনচাইক্লোপেডিয়া অব ইণ্ডিয়ান লিটাৰেচাৰ'ৰ জৰিয়তে প্ৰয়াত দত্তৰ বিশাল পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। প্ৰয়াত দত্তই এগৰাকী শিক্ষাবিদ হিচাপেও শৈক্ষিক জগখনলৈ অনৱদ্য বৰঙনি যোগাই গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে তেখেতৰ মৃত্যুত অসমে এগৰাকী যশস্বী বিজ্ঞ ব্যক্তিক হেৰুৱালে। এই গৰাকী বিশিষ্ট পণ্ডিতৰ বিয়োগ আমাৰ বৌদ্ধিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° অমৰেশ দত্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° অমৰেশ দত্তৰৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক ইতিমধ্যে নিৰ্দেশ দিছে।

বীঃগঃ /পুঃডেঃ
৬/০৮/২০২০